**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-05-2025
**Time :** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***

--------------------

১। আকাশবাণীৰ মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ উত্তৰ পূৰ্বাঞ্চলক অসাধাৰণ বুলি অভিহিত কৰিছে।

২। সন্ত্ৰাসবাদৰ বিৰুদ্ধে বিশ্ববাসীক অৱগত কৰোৱাৰ উদ্দেশ্যে ভাৰতৰ সংসদীয় প্ৰতিনিধি দলে ভিন ভিন দেশ ভ্ৰমণ কৰি আছে।।

৩। নতুন দিল্লীত সম্প্ৰতি দেশৰ এন ডি এ শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীসকলৰ বৈঠক অনুষ্ঠিত হৈছে।

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব।

**আৰু**

৫। পেৰিছত আজি ফ্ৰেঞ্চ অপেন টেনিছ প্ৰতিযোগিতা আৰম্ভ হৈছে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ উত্তৰ পূৰ্বাঞ্চলক অসাধাৰণ বুলি অভিহিত কৰিছে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানত আজি ৰাইজিং নৰ্থ-ইষ্ট শীৰ্ষ সন্মিলনৰ প্ৰসঙ্গ উত্থাপন কৰি তেওঁ উত্তৰ-পূবক ভূয়সী প্ৰশংসা কৰে। ছিকিমৰ পৰম্পৰাগত হস্ততাঁত-বস্ত্ৰশিল্পৰ, আধুনিকতাৰ সৈতে সংমিশ্ৰন ঘটাই থলুৱাভাৱে আকৰ্ষণীয় বস্ত্ৰ সামগ্ৰী উৎপাদন কৰা Crafted Fibers নামৰ প্ৰতিষ্ঠানটোৰ প্ৰধানমন্ত্ৰীয়ে শলাগ লয়। এগৰাকী পশু চিকিৎসকৰ উদ্যোগত ভেড়া আৰু শহাপহুৰ নোমৰ পৰা উৎপাদিত ঊণক প্ৰাকৃতিক ৰঙৰ জৰিয়তে আকৰ্ষণীয় উৰা কাপোৰ, মোজা আদি প্ৰস্তুত কৰা এই প্ৰতিষ্ঠানে স্থানীয় লোকসকলৰ দক্ষতা বৃদ্ধি কৰি তেওঁলোকক আত্মনিৰ্ভৰশীল কৰি তুলিছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে।

অপাৰেচন সিন্দূৰে সমগ্ৰ বিশ্বতে সন্ত্ৰাসবাদ বিৰোধী যুঁজত ভাগ লোৱাসকলৰ আত্মবিশ্বাস বৃদ্ধি কৰা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে এই অভিযানৰ সময়ত দেশৰ সশস্ত্ৰ বাহিনীসমূহে প্ৰদৰ্শন কৰা সাহসিকতাৰ শলাগ লয়। সীমান্তৰ সিপাৰৰ সন্ত্ৰাসবাদীৰ ঘাটিসমূহ স্থিৰ লক্ষ্যৰে আঘাত হানি ধবংস কৰা সুনিৰ্দিষ্ট অভিযানক প্ৰশংসা কৰাৰ লগতে তেওঁ কয় যে সম্প্ৰতি সমগ্ৰ দেশেই সন্ত্ৰাসবাদৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে থিয় দিছে আৰু ইয়াৰ অৱসান ঘটোৱাৰ বাবে বদ্ধপৰিকৰ হৈ পৰিছে। অপাৰেচন সিন্দূৰ কেৱল এটা সামৰিক অভিযানেই নহয়, বৰঞ্চ ই দেশবাসীৰ সাহস আৰু সংকল্পবদ্ধতাৰ প্ৰতিফলন ঘটাইছে বুলি তেওঁ মত প্ৰকাশ কৰে।

দেশৰ ভিন ভিন মহানগৰৰ লগতে সৰু সৰু চহৰ আৰু গাঁওসমূহতো তিৰংগা যাত্ৰাৰ আয়োজন কৰাৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয় যে সশস্ত্ৰ বাহিনীৰ সন্মানাৰ্থে হাজাৰ হাজাৰ লোক ত্ৰিৰংগ পতাকা লৈ ৰাজপথলৈ

ওলাই আহিছে। সন্ত্ৰাসবাদ বিৰোধী অভিযান অপাৰেচন সিন্দূৰৰ দ্বাৰা উদ্বুদ্ধ হৈ বহু লোকে কবিতা ৰচনাকে ধৰি কৰা সৃষ্টিশীল কৰ্মসমূহৰ প্ৰসঙ্গৰ লগতে বিহাৰৰ কাটিহাৰ আৰু উত্তৰ প্ৰদেশৰ কুশীনগৰকে ধৰি ভিন ভিন ঠাইত এই সময়খিনিত জন্ম হোৱা নৱজাতকক সিন্দূৰ বুলি নামকৰণ কৰাৰ বিষয়েও তেওঁ উল্লেখ কৰে। এই অভিযানত সেনাবাহিনীয়ে থলুৱাভাৱে নিৰ্মিত অস্ত্ৰ-শস্ত্ৰ আৰু প্ৰযুক্তি ব্যৱহাৰ কৰাৰ প্ৰসংগ উল্লেখ কৰি এই ক্ষেত্ৰত তেওঁ আত্মনিৰ্ভৰ ভাৰত অভিযানৰো শলাগ লয়।

ভোকেল ফৰ লোকেল প্ৰসংগ উল্লেখ কৰি তেওঁ, সন্তানক উমলিবলৈ কেৱল ভাৰতত নিৰ্মিত পুতলাহে দিবৰ বাবে বহু অভিভাৱকে লোৱা সংকল্প, বিবাহৰ অনুষ্ঠান-ভ্ৰমণ আদি দেশৰ ভিতৰতে সীমাবদ্ধ ৰখা আৰু কেৱল থলুৱা শিল্পীৰ দ্বাৰা নিৰ্মিত সামগ্ৰীহে উপহাৰ হিচাপে প্ৰদান কৰাৰ সিদ্ধান্ত আদিকো প্ৰশংসা কৰে। প্ৰতিগৰাকী নাগৰিককে দেশত উৎপাদিত সামগ্ৰীক অগ্ৰাধিকাৰ দিবলৈ আহ্বান জনাই শ্ৰীমোদীয়ে কয় যে জনসাধাৰণৰ এই সামগ্ৰিক অংশগ্ৰহণেই দেশৰ প্ৰকৃত শক্তি।

মহাৰাষ্ট্ৰৰ গাড়চিৰোলী জিলাৰ মাওবাদী অধ্যুষিত কাটেঝাৰি গাঁৱলৈ প্ৰথমবাৰৰ বাবে বাছ চলাচল কৰাৰ বিষয়ে উল্লেখ কৰি ইয়াকে লৈ উৎফুল্লিত অঞ্চলটোৰ জনসাধাৰণে ঢোল-নাগাৰা বজাই বাছখনক আদৰণি জনোৱা কাৰ্যক উৎসাহজনক বুলি অভিহিত কৰে আৰু অঞ্চলটোলৈ দ্ৰুত গতিত স্বাভাৱিক অৱস্থা উভতি অহাক লৈ সন্তোষ ব্যক্ত কৰে। ছত্তিশগড়ৰ মাওবাদী অধ্যুষিত অঞ্চলসমূহৰ শিশুসকল বিজ্ঞান আৰু ক্ৰীড়াৰ প্ৰতি অতিশয় আগ্ৰহী তথা প্ৰতিভাসম্পন্ন বুলি মত প্ৰকাশ কৰি তেওঁ এই ক্ষেত্ৰত গ্ৰহণ কৰা ভূমিকাৰ বাবে অঞ্চলটোৰ জনসাধাৰণৰ শলাগ লয়।

গুজৰাটৰ গীৰ ৰাষ্ট্ৰীয় উদ্যানত সিংহৰ সংখ্যা পাঁচ বছৰত ৬৭৪ৰ পৰা ৮৯১লৈ বৃদ্ধি পোৱাটোক প্ৰধানমন্ত্ৰীয়ে অতিশয় উৎসাহজনক আখ্যা দিয়ে। প্ৰসঙ্গক্ৰমে তেওঁ মহিলাক ব্যাপক হাৰত বন বিষয়া হিচাপে নিযুক্তি দিয়া গুজৰাট দেশৰ প্ৰথমখন ৰাজ্য বুলিও উল্লেখ কৰে।

শৈশৱ কালতে পোলিঅ' ৰোগত আক্ৰান্ত হোৱাৰ ফলত শাৰিৰীকভাৱে বাধাগ্ৰস্ত হৈ পৰা উত্তৰাখণ্ডৰ হাল্ডৱানিৰ ৬৫ বছৰ বয়সীয়া জীৱন যোশী নামৰ লোকজনে পাইন গছৰ শুকান ছালৰ পৰা কৰা সুন্দৰ সৃষ্টিকৰ্মই তেওঁৰ অতুলনীয় কল্পনা শক্তি, মনোবল আৰু সামৰ্থ্যৰ প্ৰতিফলন ঘটাইছে বুলি প্ৰধানমন্ত্ৰীয়ে কয়। তেলেংগানাৰ ছাংগাৰেড্ডী জিলাৰ ড্ৰোণ দিদিসকলক ভূয়সী প্ৰশংসা কৰি শ্ৰীমোদীয়ে ৫০ একৰ ভূমিত ড্ৰোণৰ সহায়ত কীটনাশক দ্ৰব্য প্ৰয়োগ কৰা কাৰ্যত দেখুওৱা পাৰদৰ্শিতাৰ বাবে তেওঁলোকক **ড্ৰোণ অপাৰেটৰ্ছ**ৰ পৰিৱৰ্তে **স্কাই ৱাৰিয়ৰ্ছ** বুলি অভিহিত কৰে।

অহা ২১ জনত উদযাপন কৰিবলগীয়া আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ প্ৰসঙ্গ উত্থাপন কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এই অনুষ্ঠানে জনসাধাৰণক তেওঁলোকৰ দৈনন্দিন জীৱনযাত্ৰাৰ সৈতে যোগক সাঙুৰি লোৱাৰ বিষয়টো পুনৰ সোঁৱৰাই দিয়ে। এইবেলি তেওঁ বিশাখাপট্টনমত যোগ দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব বুলিও শ্ৰীমোদীয়ে জানিবলৈ দিয়ে।

আয়ুৰ্বেদৰ ক্ষেত্ৰত বিশ্ব স্বাস্থ্য সংস্থাৰ সঞ্চালক প্ৰধান ড০ টেড্ৰোছ গেব্ৰেয়েছাছৰ উপস্থিতি কালি সম্পাদিত বুজাবুজি চুক্তিৰ প্ৰসঙ্গত তেওঁ কয় যে এই চুক্তিয়ে আয়ুষক বিজ্ঞানসন্মত পদ্ধতিৰে সমগ্ৰ বিশ্বৰ বৃহৎ সংখ্যক লোকৰ সৈতে জড়িত হোৱাৰ ক্ষেত্ৰত সহায় কৰিব।

ভাৰত তীববত সীমান্ত আৰক্ষী আই টি বি পিৰ একাংশ সদস্যই বিশ্বৰ সবাতোকৈ কঠিন স্থানত অৱস্থিত শৃংগ মাউণ্ট মাকালুৰ আশে-পাশে থকা বৃহৎ পৰিমাণৰ আৱৰ্জনা সংগ্ৰহ কৰি অঞ্চলটো পৰিস্কাৰ কৰা কাৰ্যক প্ৰশংসা কৰাৰ লগতে মন কী বাত অনুষ্ঠানত তেওঁ আৱৰ্জনাৰ পৰা ব্যৱহাৰযোগ্য সামগ্ৰী উৎপাদনৰ বিষয়েও উল্লেখ কৰে। শ্ৰীমোদীয়ে এনে কামত দেশৰ সকলো শ্ৰেণীৰ জনসাধাৰণকে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

দেশৰ পৰিবেশতন্ত্ৰৰ সুৰক্ষাৰ লগতে কৃষি ক্ষেত্ৰ আৰু পৰৱৰ্ত্তী প্ৰজন্মসমূহৰ সুৰক্ষাৰ বাবেও মৌ-মাখিক সুৰক্ষা প্ৰদান কৰাটো প্ৰয়োজনীয় বুলি মত প্ৰকাশ কৰি শ্ৰীমোদীয়ে এই প্ৰসঙ্গত পুণেৰ **বী ফ্ৰেইণ্ডছ** নামৰ অনুষ্ঠানৰ বিষয়ে উল্লেখ কৰে। পুণেৰ অমিত নামৰ লোক এজনে আৰম্ভ কৰা এই ব্যৱস্থাই মৌ-মাখিৰ বাহসমূহক সুৰক্ষিত কৰি জনসাধাৰণ আৰু মৌ-মাখি উভয়ে পৰস্পৰৰ কল্যাণৰ হকে কৰা কামৰ শলাগ লয়।

oooooo

কংগ্ৰেছৰ সাংসদ শশী থাৰুৰৰ নেতৃত্বত আমেৰিকালৈ যোৱা সৰ্বদলীয় প্ৰতিনিধি দলে বৰ্বৰ পহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত ভাৰতে কেনেদৰে নিখুঁত ভাৱে পাকিস্তানত থকা সন্ত্ৰাসবাদী ঘাটি, মুখ্য কাৰ্যালয় আদিৰ প্ৰতি সঁহাৰি জনাইছিল সেই বিষয়ে আলোকপাত কৰিছে। নিউয়ৰ্কৰ কনছুলেটত হোৱা এক মত বিনিময় অনুষ্ঠানত থাৰুৰে কয় যে ভাৰতে পাকিস্তানৰ সৈতে যুদ্ধৰ প্ৰতি আগ্ৰহী নহয়। পাকিস্তানে একবিংশ শতিকাৰ নাগৰিক হবলৈ প্ৰস্তুতি চলোৱাৰ সময়ত নিজৰ অৰ্থনীতি বৃদ্ধি আৰু জনসাধাৰণক উন্নীত কৰিবলৈ অকলে এৰি দিয়াটোৱেই বেছি ভাল হব বুলি শ্ৰী থাৰুৰে গুৰুত্ব আৰোপ কৰে। পাকিস্তান সংশোধনীবাদী শক্তি বুলি আঙুলিয়াই দি থাৰুৰে কয় যে ভাৰতৰ নিয়ন্ত্ৰণত থকা ভূখণ্ডক সন্ত্ৰাসবাদৰ জৰিয়তে যিকোনো মূল্যৰ বিনিময়ত পাকিস্তানে ইয়াক অধিগ্ৰহণ কৰিব বিচাৰে, যিটো গ্ৰহণযোগ্য নহয়।

আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে যে ভাৰতৰ পৰা অহা সৰ্বদলীয় প্ৰতিনিধি দলটোৱে সন্ত্ৰাসবাদৰ সকলো ৰূপ আৰু প্ৰকাশৰ বিৰুদ্ধে ভাৰতৰ ঐক্যবদ্ধ আৰু দৃঢ় স্থিতি প্ৰক্ষেপ কৰাৰ লক্ষ্যৰে কূটনৈতিক প্ৰচাৰৰ অংশ হিচাপে নিউয়ৰ্কত উপস্থিত হৈছে।

প্ৰতিনিধি দলটোৱে নিউয়ৰ্কত বিশিষ্ট বুদ্ধিজীৱী , শৈক্ষিক প্ৰতিষ্ঠান আৰু সংবাদ মাধ্যমৰ সদস্যসকলৰ সৈতে মত বিনিময় কৰি সন্ত্ৰাসবাদ প্ৰতিহত কৰিবলৈ, ইয়াক সমৰ্থন কৰা অপশক্তিক ব্যাঘাত জন্মাবলৈ আৰু অপৰাধীক ন্যায় ব্যৱস্থাৰ ওচৰলৈ অনাৰ বাবে শক্তিশালী আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাৰ জৰুৰী প্ৰয়োজনীয়তাৰ ওপৰত ঐক্যমত গঢ়ি তোলে ।ইয়াৰ উপৰিও প্ৰতিনিধি দলটোৱে ৯/১১ৰ স্মৃতিসৌধ পৰিদৰ্শন কৰি বিশ্ব সম্প্ৰদায়ক সন্ত্ৰাসবাদৰ আতংকৰ বিৰুদ্ধে পাৰস্পৰিক সংহতি আৰু শক্তিৰে একেলগ হবলৈ আহ্বান জনায়। প্ৰতিনিধি দলটোৱে সন্ত্ৰাসবাদৰ বিৰূদ্ধে ভাৰতৰ শূন্য সহনশীলতা আৰু ঐক্যবদ্ধ ৰাষ্ট্ৰীয় সংকল্পৰ দৃঢ় মত পোষণ কৰে।

সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ বলিষ্ঠ স্থিতিক বিশ্বক অৱগত কৰোৱাৰ অংশস্বৰূপে NCP ৰ সাংসদ সুপ্ৰিয়া চুলেৰ নেতৃত্বত আনএটা বহুদলীয় প্ৰতিনিধি দল কাটাৰত উপস্থিত হৈছে কাটাৰত থকা ভাৰতৰ ৰাষ্ট্ৰদূত বিপুলে দোহাৰ হামাদ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত প্ৰতিনিধি দলৰ সদস্য সুপ্ৰিয়া চুলে, আনন্দ শৰ্মা, ৰাজীৱ প্ৰতাপ ৰুডী আৰু অনুৰাগ ঠাকুৰক আদৰণি জনায়।

ইফালে ডি এম কেৰ সাংসদ কানিমোজিৰ নেতৃত্বত সৰ্বদলীয় প্ৰতিনিধি দলটোৱে মস্কো ভ্ৰমণ সফলতাৰে সম্পূৰ্ণ কৰি এতিয়া শ্লোভেনিয়ালৈ ৰাওনা হৈছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা NDA শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীৰ বৈঠকত সভাপতিত্ব কৰিছে। এই বৈঠকত সুশাসন বিষয়ক লৈ দিনজোৰা আলোচনা অনুষ্ঠিত হৈছে।বিজেপিৰ সভাপতি জগত প্ৰকাশ নাড্ডা, গৃহমন্ত্ৰী অমিত শ্বাহ, আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙেও এই আলোচনাত অংশগ্ৰহণ কৰিছে।

এন ডি এ শাসিত ২০ খন চৰকাৰৰ ২০জন মুখ্যমন্ত্ৰী আৰু ১৮ গৰাকী উপ-মুখ্যমন্ত্ৰীয়ে সুশাসন বিষয়ত আলোচনা কৰিব। বিজেপিৰ সুশাসন বিভাগে আয়োজন কৰা এই বৈঠকত, দুটা প্ৰস্তাৱো গৃহীত হ'ব। প্ৰথম প্ৰস্তাৱত তেওঁলোকে ভাৰতীয় প্ৰতিৰক্ষা বাহিনী আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক অপাৰেচন সিন্দুৰৰ সফলতাৰ বাবে অভিনন্দন জনাব আৰু আন এটা প্ৰস্তাৱত কেন্দ্ৰীয় চৰকাৰে পৰৱৰ্তী লোকপিয়লৰ সময়ত জাতি গণনা চলোৱাৰ সিদ্ধান্তৰ বাবে অভিনন্দন জ্ঞাপন কৰিব। এই সন্মিলনত নেতাসকলে এন ডি এ শাসিত বিভিন্ন ৰাজ্য চৰকাৰৰ উত্তম পদ্ধতিসমূহৰ বিষয়েও আলোচনা কৰিব। একোগৰাকী মুখ্যমন্ত্ৰী য়ে তেওঁলোকৰ চৰকাৰে গ্ৰহণ কৰা নিজ নিজ পদক্ষেপৰ সন্দৰ্ভত উপস্থাপন কৰিব। এন ডি এ চৰকাৰৰ প্ৰথম বৰ্ষপূৰ্তি, আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ এটা দশক সম্পূৰ্ণ হোৱা আৰু জৰুৰীকালীন অৱস্থা জাপি দিয়াৰ ৫০ বছৰীয়া জয়ন্তী উপলক্ষে আয়োজন কৰিবলগীয়া ৫০ সংখ্যক লোকতন্ত্ৰ হত্যা দিৱসকে ধৰি সমাগত অনুষ্ঠানসমূহৰ বিষয়েও বৈঠকত আলোচনা কৰা হ'ব।

000000

পেৰিছত আজি ফ্ৰেন্স অপেন টেনিছ প্ৰতিযোগিতা আৰম্ভ হৈছে। ৰোলাঁ-গেৰো হিচাপেও পৰিচিত এই প্ৰতিযোগিতাৰ পুৰুষৰ দ্বৈত শাখাত ৰোহন বোপান্না, য়ুকি ভাম্ব্ৰি, এন শ্ৰীৰাম বালাজী আৰু ঋত্বিক চৌধাৰী বল্লিপাল্লিয়ে ভাৰতক প্ৰতিনিধিত্ব কৰিছে।

000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত চেন্নাই ছুপাৰ কিংছ গুজৰাট টাইটানছৰ বিৰুদ্ধে

অৱতীৰ্ণ হ'ব। দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ছান ৰাইজাৰ্ছ হায়দৰাবাদ কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব।

oooooo

সমাপ্ত